بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## বনু কুৰাইজাৰ যুদ্ধৰ দৃষ্টিকোণত আঁহজৰত (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১ নৱেম্বৰ ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطَانِ الرَّجِيمِ. بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বনু কুৰাইজাৰ যুদ্ধৰ বিস্তাৰিত বিৰৰণ এনেকুৱা যে এই যুদ্ধত দুজন মুছলমান খলাদ বিন ছৱিদ (ৰাঃ) আৰু হজৰত মনজৰ বিন মহম্মদ (ৰাঃ) শ্বহীদ হয়। কিন্তু বনু কুৰাইজাৰ ইহুদী সকলৰ হত্যাৰ সংখ্যা সন্দৰ্ভত মতানৈক্য আছে। বিভিন্ন বৰ্ণনাত ৬০০ ৰ পৰা ৯০০ শ লৈ বৰ্ণনা পোৱা যায়; কিন্তু হজৰত মিৰ্জা বশিৰ আহমদ (ৰাঃ)য়ে তদন্ত কৰা সন্দৰ্ভত কয় যে কম বেছি চাৰিজন ব্যক্তি সেইদিনা ছাআদ (ৰাঃ)ৰ কথন অনুযায়ী হত্যা কৰা হয় আৰু আঁহজৰত (ছাঃ)য়ে চাহাবা (ৰাঃ)ক নিৰ্দেশ দি সেই নিহত সকলক দফন কৰাৰ ব্যৱস্থা কৰিছিল। ইছলামৰ বিৰোধী সকলে সংখ্যাৰ পৰিমাণ সীমা চেৰাই গৈ ইছলামক নিষ্ঠুৰ ধৰ্ম বুলি আখ্যা দিয়ে।

সেই যুগৰ এজন আহমদী স্কলাৰ ছৈয়দ বৰকাত চাহাবে নিজৰ পুস্তক ৰছুলে আকৰাম আৰু ইহুদ হিজাজত ইয়াৰ ওপৰত গৱেষণা কৰি লিখিছে যে চকু বন্ধ কৰি সকলোবোৰ ৰিৱায়তক মানি লোৱা কোনো বিবেকবানৰ কাম নহয়; সেই ৰিৱায়ত সমূহৰ ওপৰত দ্বিতীয়বাৰ ভালদৰে চিন্তা-ভাৱনা কৰা উচিত যে সীমা চেৰাই গৈ বৰ্ণনা কৰা নাইতো। তেখেতৰ গৱেষণা অনুসৰি বনু কুৰাইজাৰ যুদ্ধত হত্যা কৰা ইহুদী সকলৰ সংখ্যা বিশ জনতকৈ অধিক নাছিল, এইটো তেখেতে বেছি হ্ৰাস কৰি পেলাইছে, এইটো কোনটো দৃষ্টিকোণত তেওঁৰ বিবেকত আহিছে। কিছু কথা তেওঁৰ বিবেকৰ, গতিকে সেয়া গৱেষণা কৰিব পৰা যাব পাৰে।

হজৰত মিৰ্জা বশিৰ আহমদ (ৰাঃ)য়ে বনু কুৰাইজাৰ যুদ্ধত নিহত হোৱা ইহুদী সকলৰ সংখ্যাৰ বিষয়ে অমুছলিম ইতিহাসবিদৰ অপত্তি সমূহৰ উত্তৰত বৰ্ণনা কৰিছে যে বনু কুৰাইজাৰ ঘটনা সন্দৰ্ভত অমুছলিম ইতিহাসবিদ সকলে নিৰ্থক পদ্ধতিৰে আঁহজৰত (ছাঃ)ৰ বিৰুদ্ধে আক্ৰমণ কৰিছে, আৰু কম বেছি চাৰি শ ইহুদী সকলৰ হত্যাৰ শাস্তিৰ কাৰণে তেখেত (ছাঃ)ক নাউজুবিল্লাহ অত্যাচাৰী হিচাপে উত্থাপন কৰিছে। এই আপত্তি বিনা ধৰ্ম পক্ষপাতিত্বৰ ওপৰত সংঘটিত হৈছে। কিছুমান মুছলমান সকলেও ইয়াৰ অধীনস্থৰ প্ৰভাৱত আহি গৈছে।

এই আপত্তিৰ উত্তৰত প্ৰথমে এই কথা স্মৰণ ৰখা উচিত যে বনু কুৰাইজা সন্দৰ্ভত যি সিদ্ধান্তক অত্যাচাৰী বুলি কোৱা হয় সেইটো আছিল ছাআদ বিন মাআজ (ৰাঃ)ৰ সিদ্ধান্ত, সেয়া তেখেত (ছাঃ)ৰ সিদ্ধান্ত নাছিল, ইয়াৰ বাবে তেখেত (ছাঃ)ৰ ওপৰত আপত্তি কৰাটো যুক্তি সংগত নহয়। দ্বিতীয়তে এই সিদ্ধান্ত পৰিস্থিতি অনুযায়ী ভুল আৰু নিষ্ঠুৰতা নাছিল। তৃতীয় কথা এয়া যে সেই অঙ্গীকাৰৰ কাৰণে যি ছাআদ (ৰাঃ)য়ে ঘোষণাৰ আগতেই তেখেত (ছাঃ)ৰ পৰা সিদ্ধান্ত লৈছিল তেখেত (ছাঃ)ৰ যদি তেনেকুৱা কৰাটো বাধ্যবাধকতা বুলি ভাৱিলে হয় তেন্তে সেই অনুসৰি কাম কৰিলে হয়। চতুৰ্থ কথা এয়া যে যেতিয়া অপৰাধী সকলে এই সিদ্ধান্তক স্বীকাৰ কৰিছে, আৰু ইয়াৰ ওপৰত কোনো আপত্তি কৰা নাই যিদৰে হায় বিন আখতাবে হত্যা কৰা সময়ত তেওঁৰ এই শব্দাৱলীৰ পৰা প্ৰকাশ পায় যে তেওঁৰ বাবে সেয়া ঐশ্বৰিক ভাগ্য বুলি ভাবিলে, এনে ক্ষেত্ৰত সেই কাম তেখেত (ছাঃ)ৰ নাছিল যে তেখেতে এনে কামত হস্তক্ষেপ কৰিব।

ছাআদ (ৰাঃ)ৰ সিদ্ধান্তৰ পিছত এই সন্দৰ্ভত তেখেত (ছাঃ)ৰ সম্পৰ্ক কেৱল ইমানে আছিল যে তেখেত (ছাঃ)য়ে নিজৰ শাসন ব্যৱস্থাৰ অধীনত এই সিদ্ধান্তক এনেদৰে জাৰি ৰাখিছে যে যি দয়া আৰু সহানুভূতিৰ উত্তম আদৰ্শ বুলি জনাজাত। কেৱল বনু কুৰাইজাৰ ঘটনা সন্দৰ্ভত তেখেত (ছাঃ)ৰ ওপৰত কোনো আপত্তি উত্থাপন হ'ব নোৱাৰে, বৰং বাস্তৱ এয়া যে তেখেত (ছাঃ)ৰ উত্তম চৰিত্ৰ, সুন্দৰ ব্যৱস্থাপনা আৰু তেখেত (ছাঃ)ৰ প্ৰকৃতিৰ দয়া আৰু কৃপা এক সুস্পষ্ট প্ৰমাণ।

এতিয়া থাকিল মূল সিদ্ধান্তৰ প্ৰশ্ন, গতিকে ইতিহাসৰ পৰা জনা যায় যে আঁহজৰত (ছাঃ)য়ে সেই সময়ত মদিনাত বসবাসকাৰী ইহুদী সকলৰ তিনিটা কবিলা, বনু কেংকা, বনু নজিৰ আৰু বনু কুৰাইজাৰ সৈতে শান্তি প্ৰতিষ্ঠাৰ বাবে চুক্তি কৰিছিল, যাতে মুছলমান সকল আৰু ইহুদীসকল শান্তি আৰু নিৰাপত্তাত মদিনাত বসবাস কৰিব পাৰে, পৰস্পৰৰ মাজত বন্ধুত্বসূলভ সম্পৰ্ক ৰাখিব পাৰে, আৰু কোনো শত্ৰুক কোনো ধৰণৰ সহায় যেন কৰিব নোৱাৰে, যদি বাহিৰৰ কোনো কবিলাই মদিনাৰ ওপৰত আক্ৰমণ কৰে তেতিয়া সকলোৱে মিলি সিহঁতৰ সৈতে মোকাবিলা কৰিব, যদি চুক্তি কৰা সকলৰ পৰা কোনো ব্যক্তিয়ে বা কোনো দলে এই চুক্তি ভঙ্গ কৰে বা দুষ্টামিৰ বশৱৰ্তী হয় তেতিয়া সিহঁতৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ লোৱাৰ অধিকাৰ থাকিব, সকলোবোৰ ঘটনা আৰু মতানৈক্য মহম্মদ (ছাঃ)ৰ সন্মুখত উত্থাপন কৰা হ'ব, আৰু তেখেত (ছাঃ)ৰ সিদ্ধান্ত সকলোৰে বাবে কাৰ্যকৰী সিদ্ধান্ত হ'ব। কিন্তু এয়া জৰুৰী হ'ব যে প্ৰত্যেক ব্যক্তি বা জাতিৰ বিষয়ে সিহঁতৰ ধৰ্ম আৰু চৰিয়ত অনুসৰি সিদ্ধান্ত কৰা হ'ব।

এই সিদ্ধান্তৰ ওপৰত পোনপ্ৰথমে কবিলা বনু কেংকাই চুক্তি ভঙ্গ কৰে আৰু মুছলমান সকলক যুদ্ধৰ বাবে উচটনি দিয়ে, যেতিয়া সিহঁতে মুছলমান সকলৰ সন্মুখত পৰাজয় হয় তেতিয়া তেখেত

(ছাঃ)য়ে সিহঁতক ক্ষমা কৰি দিয়ে আৰু সিহঁতৰ নিৰ্বাসনৰ ওপৰত সীমিত থাকে যাতে চহৰৰ শান্তি বিনষ্ট নহয়,আৰু মুছলমান সকল সিহঁতৰ দুষ্টামিৰ পৰা সুৰক্ষিত থাকিব পাৰে। দীৰ্ঘ সময় অতিবাহিত হোৱাই নাছিল যে ইহুদী সকলৰ দ্বিতীয় কবিলা বনু কুৰাইজাও মুছলমানৰ বিৰুদ্ধে থিয় হ'ল; সিহঁতৰ মাজৰ পৰা পোনপ্ৰথমে এজন মুখিয়াল কাআব বিন আশ্বৰফে চুক্তি ভঙ্গ কৰি কুৰাইছ আৰু আন আন কবিলাৰ সৈতে মুছলমানৰ বিৰুদ্ধে ষড়যন্ত্ৰ আৰম্ভ কৰে আৰু শেষত আঁহজৰত (ছাঃ)ক হত্যাৰ বাবে ষড়যন্ত্ৰ কৰে। এই ব্যক্তিজনক যেতিয়া আঁহজৰত (ছাঃ)য়ে দোষী সাব্যস্ত কৰে তেতিয়া তেওঁৰ কবিলা সকলে তেখেত (ছাঃ)ক হত্যা কৰাৰ কৌশল অৱলম্বন কৰে। সিহঁতৰ হত্যাৰ ষড়যন্ত্ৰৰ বিষয়ে অৱগত হোৱাৰ পিছত তেখেত (ছাঃ)য়ে তেওঁৰ বাবে শাস্তি নিৰ্ধাৰণ কৰিলে  তেতিয়া সিহঁতে মুছলমান সকলৰ বিৰুদ্ধে যুদ্ধ কৰাৰ বাবে প্ৰস্তুত হ'ল, আৰু এই যুদ্ধত বনু কুৰাইজাই সিহঁতৰ সহায় কৰিলে, যেতিয়া বনু নজিৰ পৰাজয় হয়, তেখেত (ছাঃ)য়ে বনু কুৰাইজাক ক্ষমা কৰিয়ে দিছিল আৰু বনু নজিৰক মদিনাৰ পৰা শান্তিৰ সৈতে গুচি যাবলৈ অনুমতি প্ৰদান কৰে। এই এহছানৰ প্ৰতিদান বনু নজিৰে এয়া দিলে যে মদিনাৰ বাহিৰত গৈ আৰবৰ বিভিন্ন কবিলাৰ সৈতে মিলি কঠোৰ হৃদয়বান সেনাসকলক লৈ মদিনাৰ ওপৰত আক্ৰমণ চলায় আৰু সকলোৰে পৰা এই প্ৰতিজ্ঞা লোৱা হৈছিল যে ইছলামৰ নাম আৰু চিহ্ন একেবাৰে অন্ত নকৰালৈকে উভতি নাযাব। এনে ভয়াবহ পৰিস্থিতিত ইহুদী সকলৰ তৃতীয় কবিলা বনু কুৰাইজাই সেই সময়ত উপদ্ৰৱ হৈ তিনি হাজাৰ মুছলমানৰ বিনা সতৰ্কতাৰ প্ৰতি লক্ষ্য ৰাখি  কাফিৰ সকলৰ দহ হাজাৰ সেনা বাহিনী লৈ প্ৰস্তুত হৈ বহি আছিল আৰু মৃত্যু সিহঁতৰ সন্মুখত চাই আছিল। বনু কুৰাইজাই মুছলমান মহিলা আৰু শিশু সকলৰ ওপৰত পিছফালৰ পৰা আক্ৰমণ চলায়। বনু কুৰাইজাৰ এই কৰ্ম কেৱল চুক্তি ভঙ্গকাৰী আৰু দেশদ্ৰোহই নাছিল, বৰং এক ভয়ঙ্কৰ বিদ্ৰোহ আছিল।

এনে অৱস্থাত সিহঁতৰ চুক্তি ভঙ্গ, দেশদ্ৰোহ, বিদ্ৰোহ আৰু হত্যাৰ অপৰাধীক শাস্তি দিয়াৰ বাহিৰে আন কোনো উপায় নাছিল ? ধাৰণা অনুসৰি কেৱল তিনিটা শাস্তি দিব পাৰিলে হয়, প্ৰথম মদিনাতেই কয়েদী বা ডিটেনচন, দ্বিতীয় দেশৰ পৰা বহিষ্কাৰ আৰু তৃতীয় যুদ্ধ কৰা লোক সকলৰ হত্যা আৰু অৱশিষ্ট সকলৰ কয়েদী বা ডিটেনচন। প্ৰথম শাস্তিত এজন জাতিৰ শত্ৰুক নিজৰ চহৰতে ৰখা সেই যুগৰ হিচাপত একেবাৰে প্ৰশ্ন উত্থাপন নহয়, কিয়নো বিশৃংখলা, দুষ্টামি আৰু গুপ্ত কৌশলৰ বাবে তেওঁ সেই স্বাধীনতা পাই যাব যিটো তেওঁৰ মাজত আগতেই আছিল, লগতে তেওঁৰ খৰচ বহন কৰাৰ দায়িত্ব মুছলমান সকলৰ ওপৰত আহি যাব যি খৰচ বহন কৰিববলৈ সিহঁত অক্ষম আছিল। দ্বিতীয় শাস্তি দেশৰ পৰা বহিষ্কাৰ কৰা অৰ্থাৎ ইহুদী সকলক মদিনাৰ পৰা বাহিৰলৈ ওলাই যোৱাৰ অনুমতি দিয়াটো ইয়াৰ বাহিৰে একোৱে অৰ্থ নাৰাখে যে সিহঁত ইয়াতে থালিকে ইছলামৰ বিৰুদ্ধে যুদ্ধ কৰাৰ ষড়যন্ত্ৰ আৰু অধিক বৃদ্ধি পাই যাব, অৰ্থাৎ শত্ৰু সকলে ইছলামৰ শাৰীত এনেদৰে মিলিত হৈ যাব যিসকলে নিজৰ ভয়াবহ চক্ৰান্ত, ষড়যন্ত্ৰ আৰু গুপ্ত কৌশল অৱলম্বন কৰি ইছলামৰ ক্ষতিকাৰক নেতা হোৱাৰ বাবে ব্যাকুল হৈ আছিল। সেই যুগৰ অৱস্থা অনুসৰি মুছলমান সকলৰ বাবে এই কাৰ্য আত্মহত্যাতকৈ কম নাছিল। কিন্তু পৃথিৱীৰ পৰ্দাত কোনো এনেকুৱা জাতি আছে নে যিয়ে শত্ৰুক জীৱিত ৰখাৰ বাবে নিজকে আত্মহত্যাৰ প্ৰতি আকৰ্ষণ কৰিব ? যদি নহয় তেন্তে মুছলমান সকলেও এই কাৰণেই অভিযোগৰ অধীনস্থ হ'ব নোৱাৰে। গতিকে এই দুয়োটা শাস্তি অসম্ভৱ আছিল তাৰ পৰা কোনো এটাক অৱলম্বন কৰা নিজকে নিশ্চিত ৰূপে ধ্বংসৰ

গ্ৰাসত নিপতিত কৰে। সেই দুয়োটা শাস্তি এৰি কেৱল সেই বাট মুকলি আছিল যাক অৱলম্বন কৰা হৈছে। ইয়াৰ কাৰণ যে মাৰগুলেচৰ নিচিনা ইতিহাসবিদেও যিজন কেতিয়া ইছলামৰ বন্ধু নাছিল, সেই মুহূৰ্তত সিওঁ এয়া স্বীকাৰ কৰিবলৈ বাধ্য হ'ল যে ছাআদ (ৰাঃ)ৰ সিদ্ধান্ত লোৱাটো পৰিস্থিতি অনুযায়ী বাধ্য হৈছিল যাৰ বাহিৰে অইন কোনো বাট নাছিল।

আঁহজৰত (ছাঃ) আৰু ইহুদী সকলৰ মাজত চুক্তিৰ এইটোও এটা চৰ্ত আছিল যে যদি ইহুদী সন্দৰ্ভত কোনো বিষয় নিৰ্ণয়যোগ্য আছিল তেন্তে তাৰ সিদ্ধান্ত সিহঁতৰ চৰিয়তৰ অধীনস্থই কৰিবলগীয়া আছিল। তৌৰাতৰ ফালে দৃষ্টি নিক্ষেপ কৰি চাওঁক তাতে এই ধৰণৰ অপৰাধৰ শাস্তি য'ত বনু কুৰাইজাই অন্তৰ্গত হৈছিল সেয়াই লিখা আছে যি ছাআদ বিন মাআজ (ৰাঃ)য়ে বনু কুৰাইজাৰ ওপৰত জাৰি কৰিছে। মূল কথা হ'ল এয়া যে ছাআদৰ সিদ্ধান্ত যদিও নিজৰ অস্তিত্বত কঠোৰ বুলি ভৰা হয় কিন্তু সেয়া ন্যায়ৰ বিপৰীত নাছিল আৰু এই সিদ্ধান্ত ইহুদী সকলৰ চৰিয়ত অনুসৰি আছিল।

কিন্তু যি ঘটনাই সংঘটিত হৈছিল সেয়া ছাআদ বিন মাআজ (ৰাঃ)ৰেই সিদ্ধান্ত আছিল আঁহজৰত (ছাঃ)ৰ সিদ্ধান্ত নাছিল, তেখেতৰ সম্পৰ্ক ৰাষ্ট্ৰপতি শাসন হিচাপে কেৱল ইমানে আছিল যে তেখেত (ছাঃ)য়ে এই সিদ্ধান্তক নিজৰ শাসনৰ ব্যৱস্থাপনাৰ অধীনস্থ কৰি দিছিল আৰু তেখেত (ছাঃ)য়ে সেয়া এনেদৰে জাৰি কৰিছে যাক বৰ্তমান যুগৰ সভ্যতাশীল আৰু দয়াবান আৰু দয়ালু শাসনৰ বাবে এটা উত্তম আদৰ্শ বুলি ভাৰিব পৰা যায়।

এইটোৱেই উত্তৰ সেইসকলৰ বাবে যিসকলে ইছলামৰ ওপৰত আপত্তি কৰে আৰু যাৰ ফলতে আমাৰ কিছুমান লোক ইয়াৰ অধীনস্থ হৈ যায়। বনু কুৰাইজাক ন্যায্যতা প্ৰদান কৰি কয় যে ফিলিস্তাইনৰ বিৰুদ্ধে লোৱা পদক্ষেপ বৈধ; কিন্তু সেই সময়ৰ অৱস্থা বৰ্তমানৰ অৱস্থাৰ সৈতে কোনো সম্পৰ্কই নাৰাখে, এই সকলোবোৰ ভুল মুছলমানৰেই যিসকলে নিজৰ লাভৰ বাবে ইছলামৰ খ্যাতিক অন্ত পেলাইছে। আল্লাহ তা'লা সিহঁতক বিবেক বুদ্ধি দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلاَ ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لَآ اِلٰہَ اِلاَّ اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 1 NOV 2024**

## BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................

..............................................................................................................

..............................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB